প্ৰেছ বিজ্ঞপ্তি

২৩ ছেপ্টেম্বৰ, ২০১৬

**অন্তঃসংস্থাপন অক্ষৰ অবিহনে, সংখ্যাসূচীত সংখ্যাসমূহ ক্ৰমবৰ্দ্ধিত আকাৰত থকা,**

**আৰু মুদ্ৰাংকন ছাপ ৰহিত ৫০ টকীয়া বেংক নোট প্ৰচলন**

ভাৰতীয় ৰিজাৰ্ভ বেংকে অলপতে, উভয় সংখ্যাসূচীত অন্তঃসংস্থাপিত অক্ষৰ অবহিনে, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্নৰ ড০ ৰঘূৰাম ৰাজনৰ স্বাক্ষৰ সম্বলিত, আৰু বেংকনোটৰ ওলোটা পিঠিত ছপাবৰ্ষ ‘২০১৬’ ছপা কৰা, মহাত্মা গান্ধী শৃংখলা–২০০৫ত ৫০ টকা মূল্যৰ বেংকনোট প্ৰচলন কৰিব।

এই বেংকনোটসমূহৰ নক্সা আৰু সুৰক্ষা বৈশিষ্ট্যসমূহ মহাত্মা গান্ধী শৃংখলা–২০০৫ত পূৰ্বে প্ৰচলন কৰা ধৰণে উভয় সংখ্যাসূচীত ক্ৰমবৰ্ধমান আকাৰৰ সংখ্যাবিশিষ্ট ৫০ টকা মূল্যৰ বেংক নোটৰ সৈতে একে ধৰণৰ হব, নিম্নোক্তখিনিৰ বাদে,

**পত্ৰমুদ্ৰাৰ ৰাজকীয় চিহ্নযুক্ত কাল**

**মুদ্ৰাংকন ছাপ**

‘৫০’ সংখ্যাটো, আৰ বি আই মোহৰ, মহাত্মা গান্ধীৰ প্ৰতিকৃতি, আৰ বি আই নিৰ্দেশিকা, নিশ্চয়তা তথা প্ৰতিশ্ৰুতি দফা, গৱৰ্নৰৰ স্বাক্ষৰ, অশোক স্তম্ভৰ প্ৰতীক চিহ্ন, যিবিলাক ইয়াৰ পূৰ্বে মুদ্ৰাংকনত (উত্থিত কৰি) ছপা কৰা হৈছিল, সেইবোৰ এতিয়া (উত্থিত ছপা অবিহনে) সমঢালত ছপা কৰা হব। তদুপৰি, বেংকনোটৰ বাওঁফালৰ বৰ্গাকৃতিৰ পৰিচিতিমূলক চিহ্নটো আঁতৰোৱা হৈছে।

**ৰং**

ওলোটা পিঠিত ৰঙৰ কোনো সালসলনি হোৱা নাই, সন্মুখৰ ফালটোৰ ৰং আগতকৈ পাতল কৰা হৈছে (মুদ্ৰাংকন ছাপ আঁতৰোৱা হেতুকে)।

**অপ্ৰকট প্ৰতিকৃতি**

মহাত্মা গান্ধীৰ প্ৰতকিকৃতিৰ সোঁফালৰ ঠিয় পটিডালত অদ্যপৰিমিত মূল্যসূচক সংখ্যা ৫০ অপ্ৰকট প্ৰতিকৃতি আছিল। চকুৰ সমতলত পথালিকৈ ৰাখিলেহে বেংকনোটৰ অপৰিস্ফুট প্ৰতিকৃতি দেখা গৈছিল। এই বৈশিষ্ট্য এতিয়া আৰু নাই।

**ওলোটা পিঠি**

বেংকনোটৰ ওলোটা পিঠিত কোনো সালসলনি হোৱা নাই।

**নমুনা বেংকনোটৰ প্ৰতিচ্ছবি এনেধৰণৰ –**







ৰিজাৰ্ভ বেংকে পূৰ্বে প্ৰচলন কৰা ৫০ টকা মূল্যৰ সকলো বেংক নোট বৈধ পত্ৰমুদ্ৰা হৈয়ে থাকিব।

**প্ৰেছ বিজ্ঞপ্তিঃ ২০১৬-২০১৭/৭৫১**

**অজিত প্ৰসাদ**

সহকাৰী উপদেষ্টা